NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। উত্তৰ প্ৰদেশৰ গোণ্ডা জিলাত আজি বিয়লি হোৱা ৰে'ল দুৰ্ঘটনাত কমেও দুজন লোকে প্ৰাণ হেৰুৱাই আৰু ২০ জনৰো অধিক আহত হয়।

২। উচ্চতম ন্যায়ালয়ে শনিবাৰে দিনৰ ১২ বজা পৰ্যন্ত ৱেবচাইট যোগে নীট ইউ জিৰ সকলো শিক্ষাৰ্থীৰ ফলাফল প্ৰকাশ কৰিবলৈ ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাক নিৰ্দেশ দিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ বচা বচা ভাষণৰ সংকলন **WINGS TO OUR HOPES**ৰ প্ৰথম খণ্ড আজি নতুন দিল্লীত উন্মোচন কৰা হয়।

৪। বিদেশ মন্ত্ৰালয়ে বাংলাদেশত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোক আৰু শিক্ষাৰ্থীসকলক ঘৰৰ ভিতৰতে থাকিবলৈ কৈছে।

***আৰু***

৫। ভাৰতৰ সুমিত নাগল ছুইডিছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ পৰা বাহিৰ হৈছে।

oooooooo

উত্তৰ প্ৰদেশৰ গোণ্ডা জিলাত আজি দুপৰীয়া হোৱা ৰে'ল দুৰ্ঘটনাত কমেও দুজন লোকে প্ৰাণ হেৰুৱাই আৰু ২০ জনৰো অধিক আহত হয়। প্ৰাপ্ত বাতৰি অনুসৰি গোণ্ডা-গোৰখপুৰ ৰে'ল পথত মানকাপুৰ ষ্টেচনৰ সমীপত ১৫৯০৪ নম্বৰ চণ্ডীগড়-ডিব্ৰুগড় এক্সপ্ৰেছ ৰে'ল গাড়ীৰ ছটা ডবা ৰে'ল পথৰ পৰা বাগৰি পৰে। ৰে'লৱে আৰু জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল দুৰ্ঘটনাস্থলীত উপস্থিত হৈছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ কেইবাটাও দলো দুৰ্ঘটনাস্থালীত উপস্থিত হৈছে। দুৰ্ঘটনাস্থলীত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। এই দুৰ্ঘটনাৰ বাবে লক্ষ্ণৌ-গুৱাহাটী সংযোগী মূল ৰে'ল পথছোৱা বন্ধ হৈ পৰিছে। ৰে'ল পথছোৱাৰে চলাচল কৰা কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা পথ সলনি কৰা হৈছে অথবা যাত্ৰা বাতিল কৰা হৈছে। ৰে'লৱে যাত্ৰীসকলৰ সুবিধাৰ্থে হেল্পলাইন নম্বৰ মুকলি কৰিছে। লক্ষ্ণৌৰ বাবে ৮৯৫৭৪-০৯২৯২, গোণ্ডাৰ বাবে ৮৯৫৭৪-০০৯৬৫, তিনিচুকীয়াৰ বাণিজ্যিক নিয়ন্ত্ৰণৰ বাবে ৯৯৫৭৫-৫৫৯৮৪, ফৰকাটিঙৰ বাবে ৯৯৫৭৫-৫৫৯৬৬, মৰিয়নীৰ বাবে ৬০০১৮-৮২৪১০, শিমলুগুৰিৰ বাবে ৮৭৮৯৫-৪৩৭৯৮, তিনিচুকীয়াৰ বাবে ৯৯৫৭৫-৫৫৯৫৯, ডিব্ৰুগড়ৰ বাবে ৯৯৫৭৫-৫৫৯৬০ নম্বৰ মুকলি কৰা হৈছে। ৰেল দুৰ্ঘটনাৰ খবৰ পোৱাৰ পাছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৃহ বিভাগৰ বিষয়াক উত্তৰ প্ৰদেশ চৰকাৰৰ সৈতে যোগাযোগ ৰাখিবলৈ নিৰ্দেশ দিছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে উদ্ধাৰ আৰু সাহায্য অভিযান তীব্ৰতৰ কৰি তুলিবলৈ কৈছে।

ৰেল মন্ত্ৰালয়ে এই দুৰ্ঘটনাৰ এটা উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। মন্ত্ৰালয়ে লগতে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকতাত্মীয়লৈ ১০ লাখ টকাকৈ এককালীন সাহায আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। মন্ত্ৰালয়ে দুৰ্ঘটনাত গুৰুতৰ ভাবে আহতসকলক আঢ়ৈ লাখ আৰু সামান্য ভাবে আহত সকলক ৫০ হাজাৰ টকাকৈ সাহায্য আগবঢ়োৱা হ'ব বুলি প্ৰকাশ কৰিছে।

oooooooo

উচ্চতম ন্যায়ালয়ে শনিবাৰে দিনৰ ১২ বজা পৰ্যন্ত ৱেবচাইট যোগে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰুপন তথা প্ৰৱেশৰ পৰীক্ষা নীট ইউ জিৰ সকলো শিক্ষাৰ্থীৰ ফলাফল প্ৰকাশ কৰিবলৈ ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাক নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় আৰু ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু মনোজ মিশ্ৰক লৈ গঠিত এখন বিচাৰপীঠে আজি  চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা সন্দৰ্ভত দাকিল কৰা প্ৰায় ৪০ খন আবেদনৰ শুনানিলৈ প্ৰাৰ্থীসকলৰ পৰিচয় গোপনে ৰাখি চহৰ আৰু কেন্দ্ৰ ভিত্তিত ফলাফল প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিয়ে। এই আবেদনকেইখন সন্দৰ্ভত সোমবাৰে পুৰা পুনৰ শুনানি আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীট ইউ জি  গোচৰত সৰ্বোচ্চ ন্যায়ালয়ৰ বিচাৰপীখনে পৰীক্ষাৰ স্বচ্ছতাক লৈ যে আপোচ কৰা হৈছে তাক লৈ সন্দেহৰ অৱকাশ নাই বুলি মন্তব্য কৰিছিল। অৱশ্যে বিচাৰপীঠখনে পৰীক্ষা বাতিলৰ সিদ্ধান্ত অন্তিম বিকল্প হ'ব বুলি ৰায় দিছিল।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ বচা বচা ভাষণৰ সংকলন **WINGS TO OUR HOPES**ৰ প্ৰথম খণ্ড আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন চৌহদত উন্মোচন কৰা হয়। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগনৰ উপস্থিতিত গ্ৰন্থখনৰ ইংৰাজী আৰু হিন্দী সংকৰণৰ লগতে ই-সংস্কৰনো মুকলি কৰে। অনুষ্ঠানত **কাহানি ৰাষ্ট্ৰপতি ভৱন কী** আৰু **ৰাষ্ট্ৰপতি ভৱন ঃ হেৰিটেজ মিটছ্ দা প্ৰেজেণ্ট** নামৰ অন্য দুখন গ্ৰন্থও উন্মোচন কৰা হয়। এই উপলক্ষে শ্ৰী চৌহানে কয় যে, ৰাষ্ট্ৰপতিয়ে  সমাজ বিশেষকৈ বঞ্চিত-নীপিড়িতসকলৰ কল্যাণৰ হকে নিজৰ জীৱন উৎসৰ্গা কৰিছে। তেওঁ কয় যে, আজি উন্মোচন কৰা গ্ৰন্থ কেইখনে ৰাষ্ট্ৰপতি আৰু ৰাষ্ট্ৰপতি ভৱনৰ সৈতে জনসাধাৰণৰ সম্পৰ্ক অধিক গভীৰ কৰি তুলিব। জীৱনত কিতাপৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি শ্ৰী চৌহানে কয় যে, কিতাপে আমাক উৎসাহিত কৰে আৰু গণতন্ত্ৰ তথা সমাজৰ প্ৰমূল্যৰাজীক প্ৰতিফলিত কৰি অমূল্য জ্ঞান প্ৰদান কৰে।

তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগনে গ্ৰন্থকেইখনৰ অনন্য বৈশিষ্টৰ ওপৰত আলোকপাত কৰি গ্ৰন্থ কেইখনক ভৱিষ্যৎ প্ৰজন্মৰ বাবে বহুমূলীয়া প্ৰমাণসিদ্ধা নথি বুলি অভিহিত কৰে। তেওঁ বিশেষকৈ **কাহানি ৰাষ্ট্ৰপতি ভৱন কী** গ্ৰন্থখনক ৰাষ্ট্ৰপতি ভৱনৰ অনন্য স্থাপত্য শিল্প আৰু চহকী ঐতিহ্যৰ ছবি সম্বলিত অমূল্য গ্ৰন্থ বুলি মন্তব্য কৰে। ৰাষ্ট্ৰপতি ভৱন আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকল গ্ৰন্থ উন্মোচন অনুষ্ঠানত উপস্থিত থাকে।

oooooooo

বাংলাদেশত দেশজোৰা বন্ধৰ সময়ত আজি আৰক্ষী আৰু সংৰক্ষণ ব্যৱস্থাৰ সংস্কাৰ বাবে দাবী জনোৱা প্ৰতিবাদকাৰীৰ মাজত সংঘটিত সংঘৰ্ষৰ ফলত কমেও চাৰিজন লোক নিহত হোৱাৰ লগতে শতাধিক লোক আহত

হয়। প্ৰতিবাদকাৰীসকলে নিজৰ দাবী মানি লোৱা উদ্দেশ্যে ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাৰ লগতে ৰে'ল সেৱাত ব্যাঘাত জন্মায়।

বাংলাদেশৰ আইন, ন্যায় আৰু সংসদীয় পৰিক্ৰমা মন্ত্ৰী অনিচুল হকে চৰকাৰে সংৰক্ষণ ব্যৱস্থাৰ সংস্কাৰৰ দাবীত নীতিগতভাৱে সন্মত আৰু প্ৰতিবাদকাৰীসকলৰ সৈতে আলোচনা কৰিবলৈ সাজু বুলি কয়।

oooooooo

বিদেশ মন্ত্ৰালয়ে বাংলাদেশত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোক আৰু শিক্ষাৰ্থীসকলক ঘৰৰ ভিতৰতে থাকিবলৈ কৈছে। বাংলাদেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ঢাকাত থকা ভাৰতীয় উচ্চায়োগ আৰু সহকাৰী উচ্চায়োগে জৰুৰী পৰিস্থিতৰ সন্মুখীন হ'লে আৰু সহায়ৰ আৱশ্যক হ'লে উচ্চায়োগৰ জৰুৰীকালীন নম্বৰত ফোন কৰিবলৈ আহ্বান জনাইছে।

oooooooo

বিদেশ সচিব বিক্ৰম মিস্ৰী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভূটানলৈ যাব। উল্লেখযোগ্য যে বিদেশ সচিবৰূপে কাৰ্যভাৰ গ্ৰহণৰ পাছত শ্ৰী মিস্ৰীৰ এইটোৱে প্ৰথমটো আনুষ্ঠানিক বিদেশ ভ্ৰমণ। ভ্ৰমণ কালছোৱাত বিদেশ সচিবগৰাকীয়ে ভূটানৰ ৰজাৰ উপস্থিতিত একাংশ জনতাৰ সৈতে মত বিনিময় কৰিব। শ্ৰী মিস্ৰীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী, বিদেশ পৰিক্ৰমা আৰু বিদেশ বাণিজ্য মন্ত্ৰীৰ সৈতে সাক্ষাৎ কৰাৰ লগতে ভূটান চৰকাৰৰ বৈদেশিক সচিব আৰু আন কেইবাজনো জ্যেষ্ঠ বিষয়াৰ সৈতে মত বিনিময় কৰিব। বিদেশ সচিবদ্বয়ে ভাৰত-ভূটান বিকাশ সহযোগিতা আলোচনাত সহ-অধ্যক্ষতা কৰিব। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি দুয়োখন দেশৰ মাজত নিয়মীয়াভাৱে অনুষ্ঠিত হৈ অহা উচ্চ পৰ্যায়ৰ আলোচনাৰ পৰম্পৰা ৰক্ষা কৰি এই ভ্ৰমণৰ কাৰ্যসূচী হাতত লোৱা হৈছে আৰু ই ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিকেই প্ৰতিফলিত কৰিছে।

oooooooo

কয়লা মন্ত্ৰালয়ে কৈছে যে বিশ্বৰ পাঁচটা সৰ্ববৃহৎ কয়লাখনিৰ ভিতৰত দুটা ভাৰতত অৱস্থিত। চত্তীছগড়স্থিত গেৱৰা আৰু কুচ্ছমুণ্ডা খনি বিশ্বৰ সৰ্ববৃহৎ কয়লাখনিৰ ভিতৰত দ্বিতীয় আৰু চতুৰ্থ স্থানত আছে। এই খনি দুটা ক'ল ইণ্ডিয়াৰ সহায়ক কোম্পানী ছাউথ ইষ্টাৰ্ন ক'লফিল্ডছ লিমিটেডৰ। ৱৰ্ল্ড এটলাষ্ট ডট কমে এই তালিকা প্ৰকাশ কৰিছে।

oooooooo

ভাৰতৰ সুমিত নাগল ছুইডিছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ পৰা বাহিৰ হৈছে। খেলুৱৈ গৰাকীয়ে আজি প্ৰী-কোৱাৰ্টাৰ ফাইনেলত আৰ্জেণ্টিনাৰ ৭মৰিয়ানো নৱোনেৰ হাতত ৬-৪, ৬-২ পোনপটীয়া ছেটত পৰাজিত হয়।

oooooooo

সমাপ্ত